অধ্যায় ৪ ঃ মৌর্য যুগৰ সাংস্কৃতিক বিকাশ

অধ্যায়টিৰ গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ সাহিত্য
৪.৪ কলা আৰু স্থাপত্য
- অন্য

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- মৌর্য সাম্রাজ্যত হোৱা সাংস্কৃতিক বিকাশৰ ব্যাখ্যা কৰিব পাৰিব,
- মৌর্য যুগত হোৱা সাহিত্যৰ বিকাশৰ বিষয়ে বর্ণনা দিব পাৰিব,
- মৌর্য সাম্রাজৰ স্থাপত্য আৰু ভাস্কর্য্য সমূহত ব্যৱহাৰ কৰা প্রযুক্তি আৰু আৰ্হিৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- সাংস্কৃতিক বিকাশৰ ওপৰত ধর্ম আৰু অন্য কাৰকসমূহৰ প্রভাৱ সম্বন্ধে বিশ্লেষণ কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি প্রাক্ বৈদিক যুগ আৰু পৰৱর্তী বৈদিক যুগৰ বৈদিক সংস্কৃতিৰ বিষয়ে আলোচনা কৰিছো। বর্তমানৰ অধ্যায়ত আমি মৌর্য বংশৰ শাসনকালত হোৱা সাহিত্য, কলা আৰু স্থাপত্যৰ বিকাশ সম্পর্কে আলোচনা কৰিম।

ভাৰত ইতিহাসত মৌর্য সাম্রাজ্য এটা গুৰুত্বপূর্ণ অধ্যায় বিশেষকৈ সাংস্কৃতিক দিশত হোৱা বিকাশৰ বাবে। এয়া উল্লেখনীয় যে, ভাৰতীয় উপমহাদেশত মৌর্য বংশই শাসন কৰিছিল ৩২২ খ্রীষ্টপূর্বৰ পৰা ১৮৭ খ্রীঃপূর্বলৈ। মৌর্য বংশ প্রতিষ্ঠা হৈছিল চন্দ্রগুপ্ত মৌর্যৰ দ্বাৰা ৩২২ খ্রীষ্টপূর্বত। অশোক মৌর্য বংশৰ এগৰাকী শক্তিশালী সম্রাট আছিল যিয়ে ২৭২ খ্রীষ্টপূর্বৰ পৰা ২৩২ খ্রীষ্টপূর্বলৈ শাসন কৰিছিল। তেওঁ সম্পূর্ণ ভাৰতীয় উপ-মহাদেশলৈ মৌর্য সাম্রাজ্যৰ প্রসাৰ ঘটাইছিল। পাটলিপুত্র যাক আধুনিক যুগৰ পাটনা বুলি চিহ্নিত কৰা হৈছে, আছিল মৌর্য

সাম্রাজ্যৰ ৰাজধানী। যিয়ে নহওঁক অশোকৰ মৃত্যুৰ পাছত ১৮৭ খ্ৰীষ্টপূৰ্বত মৌর্য সাম্রাজ্যৰ পতন হয় আৰু বৃহদ্রথ মৌর্য আছিল মৌর্য বংশৰ শেষৰ গৰাকী সম্রাট। তেওঁক তেওঁৰ সেনাপতি পুষ্যমিত্র শুংগই হত্যা কৰিছিল আৰু শুংগ বংশ স্থাপন কৰিছিল। যিয়ে নহওঁক আমি এইটো ক'ব পাৰো যে মৌর্য সাম্রাজ্যৰ কালত ভাৰতে এক সামাজিক, ধর্মীয়, ৰাজনৈতিক আৰু সাংস্কৃতিক বিকাশৰ যুগৰ সাক্ষ্য বহন কৰিছিল। মৌর্য সাম্রাজ্যই ইয়াৰ ক্ষিপ্র বিকাশ বিশেষকৈ কলা, স্থাপত্য, সাহিত্য আৰু অন্যান্য সাংস্কৃতিক দিশৰ বাবে খ্যাতি লাভ কৰিছিল।

৪.৩ সাহিত্য

ভাৰতত লেখক কলাৰ কথা ক'বলৈ হ'লে আমি মৌর্য যুগলৈ উভতি চাব লাগিব। হৰপ্পাবাসীসকলে কেৱল চিত্রলিপিহে ব্যৱহাৰ কৰিছিল। সেই যুগৰ আটাইতকৈ প্রখ্যাত গ্রন্থ আছিল চন্দ্রগুপ্ত মৌর্যৰ প্রধানমন্ত্রী কৌটিল্যৰ দ্বাৰা ৰচিত ৰাজনৈতিক গ্রন্থ "অর্থশাস্ত্র'। কৌটিল্যৰ অন্য নাম হৈছে চাণক্য। সেই সময়ছোৱাত অন্য এখন গ্রন্থ হৈছে ইণ্ডিকা য'ত গ্রীক ভাষাত ভাৰতৰ বিষয়ে ভালেমান তথ্য সংৰক্ষিত হৈছে। মেগাস্থিনিজ যি গৰাকী ভাৰতত গ্রীক ৰজা চেলুকচৰ দূত ৰূপে কার্যনির্বাহ কৰিছিল। মৌর্য যুগত বেছি ভাগ কিতাপ সংস্কৃত ভাষাত লিখা হৈছিল। লিখিত সাহিত্যৰাজিৰ ভিতৰত কৌটিল্যৰ অর্থশাস্ত্র আৰু মেগাস্থেনিচৰ ইণ্ডিকা আছিল মৌর্যযুগৰ উল্লেখযোগ্য সৃষ্টি। সেয়েহে ইয়াৰ পুংখানুপুংখ আলোচনা কৰা প্রয়োজনীয়।

- **কৌটিল্যৰ অর্থশাস্ত্র**

  কৌটিল্যৰ অর্থশাস্ত্র এখন বিশেষ আৰু পুংখানুপুংখ বিৱৰণ থকা ৰাষ্ট্রৰ আঁচনিৰ ওপৰত লিখা ভাৰতীয় গ্রন্থ। গ্রন্থখনে ৰাষ্ট্রৰ আচঁনি সম্বন্ধে বিভিন্ন সংখ্যাত বিৱৰণ দিছে। কিন্তু গ্রন্থখন লিখিছিল কৌটিল্যই (৩৫০খ্রীষ্টপূর্ব- ২৭৫ খ্রীষ্ট পূর্ব) যাক চানক্য নামেৰেও জানিবলৈ পোৱা যায়। তেওঁ আছিল এগৰাকী ভাৰতীয় দার্শনিক আৰু সম্রাট চন্দ্রগুপ্ত মৌর্যৰ মুখ্য পৰামর্শদাতা। এগৰাকী উল্লেখযোগ্য ইতিহাসবিদ উপিন্দৰ সিংৰ ভাষাত

  "অর্থ শব্দটো নতুন নহয়। যিহেতু পুৰুষার্থৰ (মানুহৰ স্থায়ীত্বৰ বৈধ উদ্দেশ্য) ভিতৰৰ এটা হিচাপে ইয়াক বস্তুগত সুস্থতাৰ অর্থত ব্যৱহৃত হয়। অর্থশাস্ত্রই সংঘবদ্ধ ভাবে কৈছে যে অর্থ, ধর্ম (আধ্যাত্মিক সুস্থতা) আৰু কর্মতকৈ (চেতনাৰ সুস্থতা) ওপৰৰ। কাৰণ দুয়োটাই অর্থৰ ওপৰত নির্ভৰশীল। ই অর্থক জীৱন ধাৰণৰ উপাদান বুলি কৈছে যাৰ সমল হৈছে মানৰৰ বসতিস্থল পৃথিৱী" (সিং উপিন্দ্র, ২০০৯. p-322)।

  কৌটিল্যৰ অর্থশাস্ত্র গঠন হৈছে ১৫ টা অধিকৰণ আৰু ১০ টা অধ্যায়ক লৈ। প্রথম পাঁচটাত, ৰজা, পৌৰ শাসন, আইন আৰু ন্যায় পদ্ধতিৰ ওপৰত আলোকপাত কৰিছে। পৰৱর্তী আঠটা সংখ্যাই বৈদেশিক নীতিৰ সংজ্ঞা আৰু অন্যান্য আন্তঃৰাষ্ট্রীয় ঘটনাৰাজীৰ বিৱৰণ দিছে। শেষৰ দুটা সংখ্যাই ৰাষ্ট্রৰ অন্যান্য বিষয়সমূহ যেনে শত্রুৰ আক্রমণ, দূর্গ আৰু গোপনীয় আচঁনি সমূহৰ বিষয়ে উল্লেখ কৰিছে।

- **মেগাস্থেনিচৰ ইণ্ডিকা**

চতুর্থ শতিকাত চন্দ্রগুপ্ত মৌর্যৰ শাসনকালত ভাৰতলৈ অহা মেগাস্থেনিচ আছিল গ্রীক সেনাপতি চেলুকচ নিকটৰৰ ৰাষ্ট্রদূত। তেওঁ ভাৰত সম্পর্কে এখন উল্লেখযোগ্য গ্রন্থ (টোকা) লিখি থৈ গৈছে যাক 'ইণ্ডিকা' নামেৰে জনা যায়। গ্রীচৰ পৰা অহা **বেৰেই** আছিল প্রথমগৰাকী বিদেশী ৰাষ্ট্রদূত। যদিও প্রকৃত গ্রন্থখন বর্তমান সময়ত পোৱা নাযায়, তথাপি বিভিন্ন গ্রীক আৰু ৰোমান গ্রন্থত ইয়াৰ অংশবিশেষ পোৱা গৈছে। সেই সকল গ্রন্থৰ লেখকসকল হ'ল স্ট্রেবো, এৰিয়ান আৰু ভিঅ'ডৰাছ। উল্লেখযোগ্য যে জন এম চি ক্রিন্দল নামৰ লোক এগৰাকীয়ে ইণ্ডিকাৰ এটা নতুন সংস্কৰণ ১৮৮৭ চনত প্রকাশ কৰিব খুজিছিল কিন্তু দুর্ভাগ্যবশতঃ তেওঁৰ ইণ্ডিকাৰ সংস্কৰণটো বিশ্বই গ্রহণ কৰা নাছিল। মেগাস্থেনিচৰ ইণ্ডিকাৰ প্রধান বিষয় মেগাস্থেনিচৰ ভাৰত ভ্রমণৰ অভিজ্ঞতাৰ ওপৰত আছিল। মেগাস্থেনিচৰ ইণ্ডিকাই মৌর্য সাম্রাজ্যৰ দেশ, ইয়াৰ আকাৰ, বিস্তৃতি, জলবায়ু আৰু শাসন পদ্ধতিৰ বিষয়ে পুংখানুপুংখ বিৰৰণ দিছে। এই গ্রন্থখনে বিশেষকৈ ৰাজধানী পাতলিপুত্রৰ শাসন প্রণালী আৰু মৌর্য বংশৰ সেনাবাহিনীৰ গঠন সম্পর্কে বর্ণনা কৰিছে। মৌর্য প্রশাসন আৰু ৰাজধানী চহৰখনৰ সুৰক্ষাৰ ব্যৱস্থাজনিত বর্ণনাসমূহ নির্ভৰযোগ্য যাক স্বয়ং মেগাস্থিনিছে নিজেই প্রত্যক্ষ কৰিছিল। অৱশ্যে অদ্ভুত অবয়ব যুক্ত মানুহৰ বিৰৰণ সেয়া অতিৰিক্ত কল্পনাভিত্তিক। মেগাস্থিনিচে ভাৰতীয় সমাজৰ ৭টা শ্রেণী বিভাজনৰ কথা উল্লেখ কৰিছিল যদিও সেই সময়ৰ অন্যান্য সাহিত্যত চাৰিটা শ্রেণীৰ বিষয়ে উল্লেখ কৰিছে।

এই দুখন গ্রন্থৰ উপৰিও সেই সময়ত অন্য কিছু গ্রন্থও ৰচিত হৈছিল। ভদ্রবাহুৰ 'কল্পসুত্র', বৌদ্ধ গ্রন্থ, কথা-বাস্তু আৰু বহুতো ধর্মশাস্ত্র আৰু গৃহসূত্র মৌর্য বংশৰ কালত ৰচনা কৰা হৈছিল। বৌদ্ধধর্ম আৰু জৈনধর্মৰ ওপৰত বিভিন্ন গ্রন্থ এই সময়খিনিত ৰচিত হৈছিল। এইদৰে, আমি ক'ব পাৰো যে মৌর্য যুগত যথেষ্ট উচ্চ মানৰ সাহিত্য ৰচনা কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মৌর্য বংশৰ প্রতিষ্ঠাতাৰ নাম লিখক।

_____

প্রশ্ন নং ২ ঃ অর্থশাস্ত্র কোনে ৰচনা কৰিছিল?

_____

প্রশ্ন নং ৩ ঃ ইণ্ডিকাৰ ৰচয়িতা কোন?

_____

প্রশ্ন নং ৪ ঃ পাতলিপুত্রৰ বর্তমান নাম কি?

_____

৪.৪ কলা আৰু স্থাপত্য

মৌর্য সকলৰ ৰাজত্ব কালত স্থাপত্যই এক উন্নত স্থান দখল কৰিছিল। মৌর্য যুগটোৱে স্থাপত্যৰ উন্নত আৰ্হিৰ নিদৰ্শন দিছিল। মৌর্য সাম্ৰাজ্যৰ কালত ৰাজকীয় অট্টালিকা, মন্দিৰ, স্তম্ভ আৰু স্তুপ সমূহ বৃহৎ আৰু চকুতলগা আছিল। দূর্ভাগ্যবশতঃ কিছুসংখ্যক মৌর্য অট্টালিকা বিদেশী আক্ৰমণকাৰীয়ে ধ্বংশ কৰিছিল। তথাপি ৰৈ যোৱা বহু স্থাপত্য মৌর্য সম্ৰাট সকলৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাৰ নিদৰ্শন আছিল।

➢ ৰাজকীয় অট্টালিকা

ৰাজগৃহ আৰু অন্যান্য অট্টালিকা সমূহ মৌর্য সম্ৰাট সকলে নিৰ্মাণ কৰিছিল। অশোকৰ ৰাজত্বকালত নিৰ্মিত অট্টালিকা সমূহ আছিল শিলেৰে নিৰ্মিত। প্ৰাচীন ভাৰতৰ সময়ৰ এই ৰাজকীয় অট্টালিকা সমূহ স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন আছিল। গ্ৰীক ইতিহাসবিদ সকলৰ মতে মৌর্য যুগৰ অট্টলিকা সমূহ আকর্ষনীয় সুক্ষ্ম আৰু বৃহৎ আছিল, সমগ্ৰ পৃথিৱীৰ ভিতৰতে। পাটলিপুত্ৰ মৌর্য সাম্ৰাজ্যৰ ৰাজধানী আছিল। ক্ষমতাশালী সম্ৰাট চন্দ্ৰগুপ্ত মৌর্যই পাটলিপুত্ৰত এটা আকর্ষণীয় ৰাজ অট্টালিকা নিৰ্মাণ কৰিছিল। এই ৰাজকীয় অট্টালিকা নিৰ্মাণ কৰিছিল। এই ৰাজকীয় অট্টালিকা সমূহ কাঠেৰে নিৰ্মিত আছিল।

উপিন্দ্ৰৰ সিংৰ ভাষাত, "স্তম্ভসমূহ আৰম্ভণীতে, বৰ্গৰ জতিৰ কাঠেৰে নিৰ্মিত বেদীৰ ওপৰত স্থাপিত আছিল, যিটো বোকা মাটিৰ ডাঠ প্ৰলেপৰ ওপৰত আছিল। বৃহৎসংখ্যক ছাই কাঠৰ পোৰা টুকুৰাই বুজাই যে মজিয়া আৰু শাল কাঠেৰে নিৰ্মিত আছিল যিবোৰ জুইত দাহ গৈছিল। কাঠৰ চালখন সম্ভৱতঃ ইটা আৰু চূনশিলৰ চিমেণ্টেৰে ঢাকি দিয়া হৈছিল, যাৰ টুকুৰা কিছুমান সেই স্থানত পোৱা গৈছে" (সিং, উপিন্দৰ ২০০৯, পৃষ্টা- ৩৫৭)

উল্লেখযোগ্য যে বহু যুগ ধৰি চলা খননকার্যত আধুনিক পাটনা চহৰত এই কাঠৰ বেৰৰ ধ্বংসবিশেষ উদ্ধাৰ হৈছে। এইটো উল্লেখ কৰিব পাৰি যে ৰাজগৃহটো পুখুৰীসংলগ্ন এখন বৃহৎ উদ্যানৰ পাৰত আছিল। খনন কার্য চলাই নিছিল ডি. বি. স্পুন্যৰ আৰু ৰাডেলে। তেওঁলোকে পাটনাৰ বুলন্দিবাঘ আৰু কুমাৰহাৰত কাঠৰ অট্টালিকা সমূহৰ ধ্বংসাৱশেষ পোহৰলৈ আনিছে। এইদৰে মৌর্য যুগত অট্টালিকা আৰু অন্যান্য গৃহ নিৰ্মাণৰ বাবে কাঠ ব্যৱহাৰ কৰিছিল। এয়া লক্ষ্য কৰা হৈছে যে বেছিসংখ্যক অট্টালিকা জুই আৰু বিদেশী আক্ৰমণৰ ফলত ধ্বংসপ্ৰাপ্ত হৈছিল। পাছলৈ, সম্ৰাটঅশোকে অট্টালিকা সমূহ নিৰ্মাণৰ বাবে সমূহ শিল ব্যৱহাৰ কৰিছিল যিয়ে স্থাপত্যৰ ক্ষেত্ৰখনত নতুন যুগৰ আৰম্ভণি কৰিছিল। মহানসম্ৰাট অশোকে পাটলিপুত্ৰত এটা আকর্ষণীয় ৰাজগৃহ আৰু অন্যান্য কিছু অট্টালিকা দেশৰ বিভিন্ন প্ৰান্তত নিৰ্মাণ কৰিছিল। প্ৰকৃততে, চীনা পৰিব্ৰাজক ফা-হিয়েনে যিয়ে গুপ্ত বংশৰ সম্ৰাট চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ দিনত ভাৰতলৈ আহিছিল। অশোকে নিৰ্মাণ কৰা ৰাজগৃহ দেখি আশ্চর্য প্ৰকাশ কৰিছিল।

➢ **স্তুপবিলাক**

মৌর্য যুগৰ এক উল্লেখযোগ্য স্থাপত্য হ'ল স্তুপ। অশোকৰ ৰাজত্বৰ আগতো ভাৰতীয় উপমহাদেশত স্তুপৰ ধাৰণা অচিনাকী নাছিল। বৈদিক যুগত স্তুপ আছিল মাটি আৰু ইটাৰে নির্মিত মৃতকৰ সৌধ। তথাপি মহান অশোকৰ সময়ৰ পৰা স্তুপ বিলাক বৌদ্ধধর্মৰ আহিলা হৈ পৰিছিল। এইদৰে বৌদ্ধধর্মৰ পৰম্পৰাত স্তুপ বনোৱাটো এক অংশ হৈ পৰিছিল। পাছলৈ স্তুপসমূহ বুদ্ধৰ শৰীৰৰ অংশ বহনকাৰী হিচাপে মানি লোৱা হৈছিল। এইদৰে স্তুপ বনোৱাটো বৌদ্ধ পৰম্পৰাৰ অংশ হৈ পৰিছিল। মৌর্য যুগৰ সময় ছোৱাত বৃহৎ পৰিমাণৰ স্তুপ নির্মাণ কৰা হৈছিল কাৰণ বেছিসংখ্যক মৌর্য শাসকে বৌদ্ধধর্মৰ পৃষ্ঠপোষকতা কৰিছিল। এয়া উল্লেখযোগ্য যে স্তুপ সমুহ বৃহৎ আকাৰত নির্মাণ কৰা হৈছিল। কিছুমান মূর্তিৰে সজ্জিত কৰি। ইয়ে মৌর্য যুগত থকা বৌদ্ধধর্মৰ জনপ্রিয়তাৰ কথা সূচায়। মহান অশোকে, যাক প্রাচীন ভাৰতৰ আটাইতকৈ শক্তিশালী সম্রাট বুলি জনা গৈছিল, প্রায় ৮৪,০০০ স্তুপ তেওঁৰ সাম্রাজ্যৰ বিভিন্ন ঠাইত নির্মাণ কৰিছিল। এই স্তুপ সমূহৰ মজবুট ডোমা (dome) আছিল যাক শিল বা ইটাৰে বিভিন্ন আকাৰত বনোৱা হৈছিল। স্তুপৰ বিশেষ লক্ষণ আছিল এই ডোমৰ শীর্ষ অংশ শিল বা কাঠেৰে নির্মিত ছত্রৰ দ্বাৰা সজোৱা হৈছিল যিয়ে ধর্মৰ সার্বজনীন প্রভূত্বৰ কথা বুজাইছিল। স্তুপসমূহৰ ভিতৰত অন্যতম উল্লেখযোগ্য স্তুপ এটা সম্রাট অশোকৰ শাসনকালত ভূপালত (মধ্যপ্রদেশ) নির্মাণ কৰা হৈছিল। যাক মাননী স্তুপ নামেৰে জনা যায়। মানসী স্তুপ যাক সান্সী নামেৰেও জনা যায় যি ভাৰতৰ আটাইতকৈ প্রচীন শিলৰ চানেকী। আৰম্ভণীতে ইয়াক সম্রাট অশোকে খ্রীষ্টপূর্ব তিনিশ শতিকাত নির্মাণ কৰিছিল। খ্রী.পূ. সপ্তম শতিকাত চিনৰ ভ্রমণকাৰী হিউয়েন চাংৰ তথ্যৰ অনুসৰি, সম্রাট আশোকে তক্ষশীলা, শ্রীনগৰ, বেনাৰচ, অযোধ্যা, কনৌজ আৰু কপিলাৰস্তু আদি ঠাইতো স্তুপ নির্মাণ কৰিছিল। এই তথ্যই এইয়া বুজাই যে মৌর্য যুগত উন্নত মানৰ স্থাপত্য নির্মাণ কৰা হৈছিল।

অনুশীলনী ৪.১

মৌর্য যুগৰ স্তুপ সমুহৰ এখন টোকা প্রস্তুত কৰক।

.....

.....

.....

.....

➢ **স্তম্ভ**

মৌর্য সাম্রাজ্যৰ আন এক স্থাপত্য কলা হ'ল আকর্ষণীয় স্তম্ভসমূহ। এইয়া উল্লেখ কৰিব পাৰি যে স্তম্ভসমূহ সম্রাট অশোকৰ দিনত নির্মাণ কৰা হৈছিল। কিন্তু অশোকৰ স্তম্ভসমূহৰ মূল সংখ্যা জনা হোৱা নাই। সেইসমূহৰ বেছিভাগ তেওঁৰ অনুশাসনসমূহৰ লগত খোদিত কৰা হৈছিল। তাৰ মাজত কিছুমান তেওঁৰ বিষয়াবর্গ আৰু প্রজাৰ সাধাৰণৰ প্রতি কিছুমান নীতি নির্দেশনা

আছিল। অন্য কিছুমানত বৌদ্ধধর্ম প্রচাৰৰ বাবে তেওঁৰ হাতত লোৱা পদক্ষেপসমূহৰ বিৱৰণৰ লগতে তেওঁ প্রচাৰ কৰা নতুন ধর্মমত 'ধর্মৰ' কথা আছে।

উল্লেখযোগ্য যে এই স্তম্ভসমূহ ৪০ ৰ পৰা ৫০ ফুট ওখ আৰু প্রায় ৫০ টন ওজনৰ। প্রকৃত স্তম্ভসমূহৰ ২০ টা মান হে বর্তমান সময়লৈ সঠিক ৰূপত উদ্ধাৰ হৈছে। অশোকে নির্মাণ কৰা দুটা স্তম্ভ, টোপৰা শিলালিপি আৰু মীৰাট শিলালিপি ফিৰোজ্য শ্বাহ টোগলকে দিল্লীলৈ আনিছিল। উল্লেখযোগ্য যে স্তম্ভসমূহত থকা শিলালিপিবোৰ অশোকে বৌদ্ধ ধর্মৰ ওপৰত নির্ভৰ কৰি তৈয়াৰ কৰা নৈতিকতাৰ ভাবধাৰা প্রচাৰ কৰিবলৈ ব্যৱহাৰ কৰিছিল। উল্লেখযোগ্য যে শিলালিপি নথকা বহুসংখ্যাক স্তম্ভ উদ্ধাৰ কৰা হৈছে। ষাড়ঁগৰুৰ কেপিটেল স্তম্ভ এটা ৰামপূর্বাত আছে। সিংহ কেপিটেলৰসৈতে এটা আছে বৈশালীত আৰু কোশমত কেপিটেল নথকা স্তম্ভ আছে। এইদৰে অশোকে নির্মাণ কৰা স্তম্ভসমূহে মৌর্য বংশৰ কলা আৰু স্থাপত্যৰ চানেকি বহন কৰিছে। কিছুমান ইতিহাসবিদে কৈছে যে অশোকে একামেনিডচ্ সকলৰ প্রভাৱৰ বাবে স্তম্ভসমূহত লিপি খোদিত কৰিছিল। সন্দেহ নাই যে, অশোকৰ কলাৰ ধাৰণাক পাৰস্যৰ স্থাপত্যই প্রভাৱিত কৰিছিল। তদুপৰি পাৰস্যৰ স্তম্ভ অন্য আকাৰৰ এক অংশ আছিল, আৰু অশোকৰ স্তম্ভ বুদ্ধৰ জন্মৰ লগত জড়িত ঠাইত নির্মাণ কৰা হৈছিল।

চিত্র ১



উৎস ঃ Google images

সিংহৰ মুখাবয় থকা সাৰনাথ স্তম্ভ এতিয়া উত্তৰ প্ৰদেশত সাৰনাথ সংগ্ৰহালয়ত আছে। স্তম্ভটোৰ পিঠিয়া পিঠিকৈ চাৰিটা সিংহ আছে। যিকেইটাৰ ওপৰত এটা তামৰ চক্ৰ দণ্ডায়মান যাৰ বিৱৰণ পৰৱৰ্তী লেখ, টোকাসমূহত উল্লেখ আছে। সিংহকেইটাৰ তলত স্তম্ভৰ ওপৰত প্ৰস্তুত কৰা বীঠিকাত চাৰিটা জন্তু—হাতী, ষাঁড় গৰু, ঘোঁৰা আৰু এটা সিংহ আছে। পৰম্পৰাগত বিচাৰত এইকেইটা কম্পাচৰ চাৰিটা অপৰিহাৰ্য দিশ। অৰ্থাৎ পূব, দক্ষিণ, পশ্চিম আৰু উত্তৰ দিশ। ভাৰত চৰকাৰে সাৰনাথ স্তম্ভটোক ৰাষ্ট্ৰীয় প্ৰতীক হিচাপে গ্ৰহণ কৰিছে আৰু সকলো চৰকাৰী নথি-পত্ৰ, নগদ টকা ইত্যাদিত ইয়াৰ প্ৰয়োগ সন্নিৱিষ্ট কৰা হৈছে।

চিত্ৰ ২

বিহাৰৰ ভৈশালীত অশোকৰ স্তম্ভ



উৎস ঃ Google images



জানি থোৱা ভাল

লিপি হ'ল এক প্ৰকাৰৰ লিখনি যাক শিল, ধাতু আৰু গুহাৰ বেৰত খোদিত কৰা হয়। ইতিহাস অধ্যয়নৰ বাবে এই লিপিসমূহ প্ৰয়োজনীয় সমল। অশোকৰ লিপিসমূহ ৩৩ টা লিপিৰ সংগ্ৰহ যাক স্তম্ভ বা গুহাত খোদিত কৰা হৈছিল। প্ৰকৃততে, লিপিসমূহক ইদিষ্ট বুলিও জনা যায়। অশোকে এই লিপিসমূহত নিজকে 'দেৱনামপিয়া' পিয়াদৰ্শীৰাজা বা ভগৱানৰ মৰমৰ সেৱক বুলি উল্লেখ কৰিছে। অশোকৰ লিপিসমূহক তিনিটা ভাগত ভাগ কৰা হৈছে স্তম্ভলিপি, শিলালিপি আৰু গুহালিপি। অশোকৰ ৰাজত্ব কালত লিপিসমূহ ব্ৰাহ্মী আৰু খাৰোষ্ঠী লিপিত লিখা হৈছিল। আন বিছুমান লিপি গ্ৰীক আৰু এৰামেইক লিপিটো লিখা হৈছিল। উল্লেখযোগ্য যে, কান্দহাৰ লিপিখন দুটা ভাষাত লিখা হৈছিল-গ্ৰীক আৰু এৰামেইক। মৌর্যসকলৰ দ্বাৰা মুদ্ৰিত মুদ্ৰা দুটা ভাষাত আছিল যাৰ বাবে জেম প্ৰিন্সেপে ব্ৰাহ্মী আৰু খাৰষ্ঠীৰ লিপিসমূহ পাঠোদ্ধাৰ কৰিব পাৰিছিল।

➢ শিলত কটা ভাস্কৰ্য্য

শিলত কটা ভাস্কৰ্য্যও এটা উল্লেখযোগ্য উদাহৰণ মৌর্য শিল্পকলাৰ। সঁচা অৰ্থত, মৌর্য যুগটোৱে শিলত কটা ভাস্কৰ্য্যৰ আৰম্ভণী কৰিছিল। অশোকে ভিক্ষুসকল বাস কৰিবলৈ বহুত গুহা নিৰ্মাণ কৰিছিল। এই গুহাসমূহ কঠিন আৰু বৃহৎ শিলসমুহ কাটি বনোৱা হৈছিল। বহুতো গুহা যিবোৰ শিলত কটা ভাস্কৰ্য্যৰ নিদৰ্শন আছিল, বোধয়াৰ ওচৰৰ বৰাবৰ আৰু নাগাৰ্জুন পাহাৰত উদ্ধাৰ হৈছে। এইয়া উল্লেখ কৰিব পাৰি যে তিনিটা পাহাৰত গুহা লিপি পোৱা গৈছিল, যিবোৰ অশোকৰ লিপি হিচাপে উচৰ্গা কৰা হৈছে। অশোকৰ পুত্ৰ দশৰথে নাৰ্গৰ্জুন পাহাৰত তিনিটা গুহা

নির্মাণ কৰিছিল। ইয়াৰ উপৰিও বিখ্যাত মন্দিৰ "গোপীকা কুহু ভবন" নির্মাণ কৰিছিল ৰজাদশৰথে। উল্লেখযোগ্য যে, লোমাশ ঋষী হিচাপে জনাজাত আন এটা গুহা আছিল মৌর্য যুগৰ অন্যতম উল্লেখযোগ্য গুহা। মৌর্য যুগত বেচিভাগ চৈত্য আৰু বিহাৰ পশ্চিম আৰু পুব অংশৰ সাম্ৰাজ্যত নির্মাণ কৰা হৈছিল। এইসমূহ গুহা ভাস্কর্য্যৰ দৰকাৰী দিশ। মৌর্যৰ স্থাপত্য অন্য এক বৈশিষ্ট্য আছিল উজ্জ্বলতা যি স্তম্ভ আৰু শিলত কটা ভাস্কর্যত দেখা পোৱা গৈছিল। আজিৰ দিনতো ইয়াৰ উজ্জ্বলতা ম্লান পৰা নাই যাৰ ফলত ইয়াক মার্বল বা ধাতু বুলি ভুলতে বিশ্বাস কৰিছিল।



জানি থোৱা ভাল

চৈত্যগৃহ ঃ ই হ'ল মন্দিৰ অংশ য'ত মূলভাগত স্তুপ থাকে।

ৰিহাৰ ঃ ৰিহাৰ সমূহ সাধাৰণতে শিলত কটা হয়। ভিক্ষুসকল বাস কৰিবলৈ বিহাৰসমূহ ব্যৱহাৰ কৰা হয়।

➢ **ভাস্কর্য্য**

মৌর্য্য যুগত ভাস্কর্য্যৰ ক্ষেত্রখনত শিল আৰু পোৰামাটিৰ মূর্তিত অসাধাৰণ বিকাশ দেখিবলৈ পোৱা গৈছিল। অন্যধৰণে আমি ক'ব পাৰো যে ভাস্কার্য্যৰ ক্ষেত্রত মৌর্য যুগটো শিখৰত আৰোহণ কৰিবলৈ সক্ষম হৈছিল। একেধৰণে উপিন্দৰ মৌর্য যুগৰ ভাস্কার্য্যৰ প্রশংসা কৰিছে। (স্থাপত্যত শিলৰ প্রচুৰ ব্যৱহাৰ হৈছিল। চন্দ্রগুপ্ত মৌর্য দিনৰ পৰা)।

মৌর্যযুগৰ অন্যান্য উল্লেখযোগ্য ভাস্কর্য্যৰ ভিতৰত উলংগ পুৰুষ মূর্তি, যাক পোৱা হৈছে বিহাৰৰ আধুনিক পাটনাৰ লোহানীপুৰত। ইয়াৰ উপৰিও উত্তৰ ভাৰততে বহু অঞ্চলত শিলত কটা কিছুসংখ্যক ভাস্কর্য্য পোৱা গৈছে। সেই সমূহ পোৱা হৈছে, তক্ষশীলা, মথুৰা, কোশাৰী আৰু ৰাজঘাটত। জনপ্রিয় মূর্তি যেনে যক্ষ পোৱা হৈছে পাকিস্তানত আৰু যক্ষিনী পোৱা হৈছে বেচনগৰত। এইজোৰ মৌর্য যুগৰ শিল্পকলাৰ উদাহৰণ। উল্লেখযোগ্য যে মৌর্য যুগৰ ভাস্কর্যত হেলেনিক ভাস্কর্যৰ প্রভাৱ সুস্পষ্ট। হেলেনিক প্রভাৱ মানে হ'ল গ্রীক আৰু ৰোমান শিল্প আৰ্হিৰ ভাৰতীয় শিল্প আৰ্হি যেনে ভাস্কর্য্য আৰু স্থাপত্যৰ ওপৰত পৰা প্রভাৱ। মৌর্য যুগৰ মুদ্রাৰ ওপৰতো ভাস্কার্যৰ চানেকি দেখিবলৈ পোৱা গৈছে। মৌর্য যুগৰ মুদ্রীকৰণত পাঞ্চ মার্ক (Punch marked) নামৰ ৰূপৰ মুদ্রা অন্তর্ভুক্ত আছিল। এই ক্ষুদ্রাসমূহে তিনিটা পাহাৰ, অর্দ্ধচন্দ্রাকৃতি সূর্য আৰু ময়ুৰ পক্ষীৰ প্রতীক বহন কৰিছিল।

● **অন্য**

➢ **শিল্প (অলংকাৰ)**

মৌর্য যুগত সমগ্র দেশতে অলংকাৰ শিল্পই যথেষ্ট বিকাশ সাধন কৰিছিল। তক্ষশীলাত খননকার্য চলোৱাৰ সময়ত, কিছুমান অলংকাৰ পোৱা গৈছে যিয়ে প্রমাণ কৰে সেই শিল্পকর্মৰ উচ্চমানৰ কথা। তাৰোপৰি, ভাস্কর্যসমূহ বহু ধৰণৰ অলংকাৰৰে অলংকৃত কৰা হৈছিল।

শিল মসৃণকৰণ

মৌর্য্য যুগে মসৃণকৰণ শিল্পৰ ক্ষেত্রটো বিকাশ দেখুৱাইছিল। মৌর্যযুগত ভাস্কর্যসমূহ, স্তম্ভ আৰু গুহাসমূহ যিবোৰ শিলেৰে নির্মিত আছিল, যথেষ্ট পাৰদর্শিতাৰে মসৃণ কৰা হৈছিল। উল্লেখযোগ্য যে এই যুগৰ ভাস্কর্য সমূহ ওপৰৰ অংশটো যথেষ্ট মিহি কৰা হৈছিল যিটো মৌর্য যুগৰ ভাস্কর্যৰ বিশেষত্ব আছিল। ভি এ. স্মিথে কৈছে 'মসৃণকৰণ শিল্পত কঠিন শিলবোৰ এনে এক যোগ্য স্থানলৈ অনা হয় য'ত আধুনিক যুগৰ কলাই ফেৰ মৰা কঠিন হয়। বতাবৰ গুহাৰ বেৰসমূহ এনেধৰণে মসৃণ কৰা হৈছে যিটো দেখিবলৈ আয়নাৰ দৰে" (খুৰানা, কে. এল, ২০০৭-০৮ পৃ. -১৭১)।

➢ **কুমাৰ শিল্প**

মৌর্য যুগৰ কুমাৰ শিল্প বহু ধৰণৰ বস্তুৰে পৰিপূর্ণ আছিল। মৌর্য যুগৰ কুমাৰ শিল্পৰ পাত্রসমূহ বিভিন্ন Northern Block Polished ware (NBP) বুলি জনা যায় সেয়া মৌর্য যুগতে বিকশিত হৈছিল। কুমাৰ শিল্প আছিল একবর্ণী আৰু বহুবর্ণ।



অগ্রগতিৰ খতিয়ান

প্রশ্ন ৫ ঃ শুদ্ধ উত্তৰটো বাচি উলিওৱা।

(ক) মৌর্য সাম্রাজ্যৰ মুদ্রা আছিল

(১) তামৰ মুদ্রা (২) ঘূৰণীয়া সোনৰ মুদ্রা

(৩) পাঞ্চমার্কত মুদ্রা (৪) ওপৰৰ এটাও নহয়

(খ) নাগার্জুনাকোণ্ডা স্তুপ আছিল

(১) বেলেগ (২) একে

(গ) **খালী ঠাই পূৰ কৰা।**

(১) মৌর্য শিল্পই..... (পৈনত /অপৈনত) শিল্প কলাৰ প্রতিনিধিত্ব কৰে।

(২) উলংগ পুৰুষ মূর্তি পোৱা গৈছে.....(মথুৰা/লোহানীপুৰ)



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- মৌর্য যুগত সাহিত্যৰ ক্ষেত্রত অভূতপূর্ব বিকাশ হৈছিল। মৌর্য সম্রাট সকল সাহিত্য আৰু কলাৰ পৃষ্ঠপোষক আছিল। মৌর্য যুগৰ আটাইতকৈ উল্লেখযোগ্য সাহিত্যিক দুজন আছিল কৌটিল্য আৰু মেগাস্থেনিচ।
- মৌর্য যুগত স্থাপত্য আৰু ভাস্কর্যৰ ক্ষেত্রটো বিকাশ সাধন হৈছিল। উদাহৰণ স্বৰূপে বিভিন্ন কলা পদ্ধতি যেনে স্তম্ভ, স্তুপ, গুহা, পোৰামাটিৰ ভাস্কর্য্য, বুদ্ধৰ মূর্তি ইত্যাদি যথেষ্ট পৰিমানে নির্মাণ কৰা হৈছিল।



৪.৬ আধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Harle, J.C. (1986). *Art and Architecture of the Indian Subcontinent*. New York, NY : Penguin
2. Sharmah, R.S. (2006). *India's Ancient Past.* New Delhi, India : Oxford University Press.
3. Singh, Upendra. (2009). *A History and Early Medieval India: From the Stone age to the 12th Century*. Delhi, India : Pearson Education India.
4. Thapar, Romila. (20015). *Indian Culture as Heritage: Contemporary Past*. New Delhi, India : Aleph Book Company.



৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ চন্দ্ৰগুপ্ত মৌৰ্য

২ নং প্ৰশ্নৰ উত্তৰ ঃ কৌটিল্য বা চানক্য

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মেগাস্থেনিচ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক পাটনা চহৰ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) পাঞ্চমার্কৰ ৰূপৰ মুদ্ৰা

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) পৈনত (খ) লোহানীপুৰ



৪.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃমৌৰ্য সাম্ৰাজ্যৰ আৰম্ভণি কেতিয়া হৈছিল?

প্ৰশ্ন ২ ঃ কৌটিল্য কোন আছিল?

প্ৰশ্ন ৩ ঃ ভাৰত ভ্ৰমন কৰা প্ৰথমজন বিদেশী কোন আছিল?

প্ৰশ্ন ৪ ঃ মৌৰ্য সাম্ৰাজ্যৰ ৰাজধানী চহৰ খনৰ নাম লিখক।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অৰ্থশাস্ত্ৰ কিতাপখনে কেনে ধৰণৰ তথ্য দিয়ে?

প্ৰশ্ন ২ ঃ ভাৰতীয় ইতিহাসৰ সমল হিচাপে মেগাস্থেনিচৰ ইণ্ডিকাৰ গুৰুত্ব কি?

প্ৰশ্ন ৩ ঃ সান্সী স্তুপৰ বিষয়ে এটা চমুটোকা লিখক।

প্ৰশ্ন ৪ ঃ মৌৰ্য স্তম্ভ বিলাকৰ গুৰুত্ব কি?

প্রশ্ন ৫ ঃ চমুটোকা লিখক

(ক) মৌর্য যুগৰ গুহা (খ) মসৃনকৰণ শিল্প

গ) **ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰে ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

প্রশ্ন ১ ঃ 'মৌর্য যুগৰ এটা গৌৰবোজ্জল সাংস্কৃতিক বিকাশ আছে ভাৰতীয় ইতিহাসত' আলোচনা কৰক।

প্রশ্ন ২ ঃ মৌর্য যুগত সাহিত্যৰ বিকাশ সম্পর্কে লিখক।

প্রশ্ন ৩ ঃ মৌর্য যুগত কলাৰ বিকাশৰ বাবে ৰাজকীয় পৃষ্ঠপোষকতাৰ অৱদানৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ মৌর্য যুগত ভাস্কর্যৰ বিষয়ে বর্ণনা কৰক।

******